**প্ৰধানমন্ত্ৰী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ যৌথভাৱে ITER প্লান্ট পৰিদৰ্শন (ফেব্ৰুৱাৰী 12, 2025)**

ফেব্ৰুৱাৰী 12, 2025

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ই আজি যৌথভাৱে কাদাৰাচেস্থিত আন্তঃৰাষ্ট্ৰীয় তাপ পাৰমাণৱিক পৰীক্ষামূলক ৰিয়েক্টৰ [ITER] পৰিদৰ্শন কৰে। ITER-ৰ সঞ্চালক প্ৰধানে উদ্যোগটোত দুয়োগৰাকীন নেতাক আদৰণি জনায়। আজিৰ বিশ্বৰ অন্যতম অভিলাষী সংযোজন শক্তি প্ৰকল্প ITER-লৈ কোনো ৰাষ্ট্ৰ বা চৰকাৰৰ মুৰব্বীৰ এইটোৱেই প্ৰথম ভ্ৰমণ।

2. এই ভ্ৰমণৰ সময়ত নেতাসকলে বিশ্বৰ সৰ্ববৃহৎ টোকামাকৰ একত্ৰিকৰণকে ধৰি ITERৰ অগ্ৰগতিৰ শলাগ লয়, য'ত ফিউজন পাৱাৰৰ প্লাজমা সৃষ্টি, নিয়ন্ত্ৰণ আৰু 500 মেগাৱাট সংযোজন শক্তি উৎপাদন কৰা হ'ব। লগতে এই প্ৰকল্পত কাম কৰা ITER-ৰ অভিযন্তা আৰু বিজ্ঞানীসকলৰ নিষ্ঠাৰ শলাগ লয় নেতাসকলে।

3. যোৱা দুটা দশক ধৰি এই প্ৰকল্পত অৰিহণা যোগোৱা ITER ৰ সাতটা সদস্যৰ ভিতৰত ভাৰত অন্যতম। প্ৰায় 200 ভাৰতীয় বিজ্ঞানী আৰু সহযোগী, উল্লেখযোগ্য উদ্যোগ কোম্পানী যেনে L&T, আইনক্স ইণ্ডিয়া, TCS, TCE, HCL টেকন'লজীছ ITER প্ৰকল্পত নিয়োজিত হৈ আছে।

মাৰ্চেইল

ফেব্ৰুৱাৰী 12, 2025